**X/18/AS**

**2 0 1 8**

**ASSAMESE**

( INDIAN LANGUAGE )

**( CANDIDATES WITH INTERNAL ASSESSMENT )**

*Full Marks* : 80
*Pass Marks* : 24

**( CANDIDATES WITHOUT INTERNAL ASSESSMENT )**

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

( For Both Categories of Candidates )

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **18** are to be answered by both Regular and Private Candidates.

(iv) Question Nos. **19**, **20**, **21**, **22**, **23** and **24** are to be answered only by Private Candidates without Internal.

( গদ্য ভাগ )

১ । তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* বাক্য বা শব্দৰে দিয়া : ১×৪=৪

(ক) পাণিনিৰ দ্বাৰা ৰচিত সংস্কৃত ভাষাৰ ব্যাকৰণখনৰ নাম লিখা।

(খ) এটা জাতিৰ জাতীয় বিশেষত্বৰ প্ৰাণস্বৰূপ কি?

(গ) 'অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি' প্ৰবন্ধটোৰ লেখক কোন?

(ঘ) প্ৰাচীন ভাৰতত বিদ্যাশিক্ষাৰ বাবে কেইখন বিশ্ববিদ্যালয় আছিল?

২ । পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) থলুৱা জনজাতীয় সংস্কৃতিত _____ বিশেষ স্থান লাভ কৰিছিল।

(খ) সেই পুথিভঁৰালটো ন-তলীয়া আছিল আৰু তাৰ নাম আছিল _____।

(গ) _____ অসমীয়াৰ এটি বিশিষ্ট জাতীয় অনুষ্ঠান।

৩ । তলৰ যি কোনো **দুটা** বিষয়ৰ চমু টোকা লিখা : ২×২=৪

জন উইক্লিফ ; তক্ষশীলা বিশ্ববিদ্যালয় ; চাণক্য ; কেৰলীয়া ভকত ।

৪ । তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) অসমৰ বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিত অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য কেনেদৰে ৰক্ষা পৰিছে, বহলাই লিখা।

(খ) প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ চমু পৰিচয় দি ইয়াত কি কি বিষয়ৰ শিক্ষা দিয়া হৈছিল, বহলাই লিখা।

(গ) ভটিমা কেই প্ৰকাৰৰ আৰু কি কি? মাধৱদেৱে কোনবিধ ভটিমা ৰচনা কৰিছিল?

**( পদ্য ভাগ )**

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* বাক্য বা শব্দৰে দিয়া : ১×৪=৪

(ক) তোহ্মাৰ লক্ষণ দেখি জগতে জানিল তুমি
যেন বৰ মানুষৰ ঝী।

এই কথাষাৰ কোনে, কাক কৈছে?

(খ) কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাত কোনবিধ জাপানী কবিতাৰ প্ৰভাৱ দেখা যায়?

(গ) অসমীয়া কাব্যজগতত বিহগী কবি হিচাপে খ্যাত কবিজনৰ নাম লিখা।

(ঘ) মহাপুৰুষ মাধৱদেৱে ৰচনা কৰা দাৰ্শনিক তত্ত্বমূলক গ্ৰন্থখনৰ নাম লিখা।

৬। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) জগাই অতীত স্মৃতি, তোমাৰ শুৱলা গীতি,
______ হৃদত হাঁহে আশা-কুমুদিনী।

(খ) এই দেশৰ প্ৰতিটো পুৱাই মোলৈ
কঢ়িয়াই আনে ______ বিপুল সম্ভাৰ।

(গ) অপমান সহিবাক নপাৰি পলায়া যাইবো
______ নগৰী মধুপুৰী।

৭। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূল ভাৱ তোমাৰ ভাষাৰে অতি চমুকৈ লিখা : ৩

(ক) মোৰ দেশ

(খ) গোৱাহে এবাৰ মোৰ প্ৰিয় বিহংগিনী

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) কবি হীৰেন ভট্টাচাৰ্যৰ দেশপ্ৰেম 'মোৰ দেশ' কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে ?

(খ) ''যাহাৰ মায়াৰ অন্ত ব্ৰহ্মা হৰে নাপাৰন্ত
হেন হৰি চাতুৰী খেলায়।''

কোনে, কাৰ কথা কৈছে, সকলো আঁতি-গুৰি মাৰি চাতুৰী খেলাৰ এটি বৰ্ণনা দিয়া।

**( দ্ৰুত পাঠ্য )**

৯। তলত দিয়া শব্দকেইটাৰ অৰ্থ লিখা (যি কোনো **চাৰিটা**) : ১×৪=৪

লুংলুঙীয়া ; আচ্ছন্ন ; গজালি ; থান-থিত ; উদাত্ত ; আতিশয্য ; ফিচিঙা-ফিচিং ।

১০। চমু টোকা লিখা (যি কোনো **দুটা**) : ২×২=৪

লেখকৰ প্ৰথম ফটোখন ; পাংখাৱালা ; দীঘলী বাই ; স্কুলীয়া ল'ৰা থকা জুপুৰি।

১১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) হাই স্কুলৰ জীৱনত লেখক ভবেন্দ্ৰনাথ শইকীয়াৰ লিখা-মেলাৰ (সাহিত্য-কৰ্মৰ) দিশটোত কেনেকৈ ক্ৰমবিকাশ ঘটিছিল, তাৰ বৰ্ণনা দিয়া।

(খ) ভীমৰ গাঁও নামৰ গাঁওখনৰ এটা চমু বৰ্ণনা দিয়া।

## ( ব্যাকৰণ ভাগ )

১২। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

স্বাগত ; গণেশ ; ভয়াতুৰ ; সূৰ্য্য+উদয় ; দেৱ+ইন্দ্ৰ ; মাতৃ+আদেশ ; পো+ইত্ৰ।

১৩। তলত দিয়া যি কোনো **পাঁচটা** সমস্ত পদৰ ব্যাসবাক্য ভাঙি দেখুওৱা : ১×৫=৫

পদ্মনাভ ; পঞ্চামৃত ; আজীৱন ; যথাশক্তি ; সজাতি ; ত্ৰিপদী ; প্ৰতিঘৰে।

১৪। তোমাৰ পৰীক্ষাৰ খবৰ জনাই তোমাৰ এগৰাকী বন্ধু/বান্ধবীলৈ এখন চিঠি লিখা। ৫

১৫। তলত দিয়া যি কোনো **পাঁচটা** জতুৱা ঠাঁচৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা : ১×৫=৫

চুঙাৰ বাদুলী ; দোপত দোপে ; সাতামপুৰুষীয়া ; তৰা-নৰা চিঙা ; হৰি-ভকত ; ৰসতে নাম থোৱা ; যাউতিযুগীয়া ; ডলাৰ বগৰী।

১৬। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) নোহোৱা বস্তু উদ্ভাৱন কৰোঁতা

(খ) যি সঁচা কথা কয়

(গ) খাবলৈ অনা কলগছৰ পুলি

(ঘ) যি মাটি ফুটি ওলায়

(ঙ) একে সময়তে হোৱা

(চ) বাটেৰে যোৱা মানুহ

(ছ) যি ইন্দ্ৰিয় জয় কৰিব পাৰে

১৭। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি।

(খ) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

(গ) দেশতকৈ মোমাই ডাঙৰ নহয়।

(ঘ) আপদৰ মাত আকালৰ ভাত।

১৮। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য

(খ) তুমি পঢ়া এখন অসমীয়া পুথি

(গ) বাতৰি কাকত

(ঘ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

**( For Private Candidates only )**

১৯। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ লিখা : ১×৪=৪

(ক) অসমৰ অতীজৰ অধিবাসীসকল কি গোষ্ঠীৰ লোক আছিল?

(খ) মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ সাৰ ভাগ কি?

(গ) কোনে, কি ভাষাৰ পৰা বাইবেল পুথি অনুবাদ কৰিছিল?

(ঘ) কাৰ দিনত অসমত চাহ্ উদ্যোগ প্ৰতিষ্ঠা হয়?

২০। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) সাংসাৰিকভাৱে শংকৰদেৱ ______ আছিল।

(খ) বিচ্ছিন্নতাকামীৰ প্ৰথম ______ বিফল হ'ল।

(গ) কহয় ______ প্ৰভু আৰ কিছু নুবুলিয়ো
তোমাৰ জননী দুখ পায়।

২১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) তোমাৰ পাঠৰ আধাৰত সমাজ সংগঠনৰ বাবে শংকৰদেৱে কি কি কাম কৰিছিল, বিৱৰি লিখা।

(খ) কবি ৰঘুনাথ চৌধাৰীয়ে কাক প্ৰিয় বিহংগিনী আখ্যা দিছে? বিহংগিনীৰ পৰা কি কি গান শুনিব খুজিছে?

২২। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) ভবেন্দ্ৰনাথ শইকীয়াই ভাৰত স্বাধীন হোৱা দিনটো কেনেকৈ উপভোগ কৰিছিল ?

(খ) তলৰ যি কোনো **এটাৰ** চমু টোকা লিখা :

খনাজান ; পাঠশালাৰ শিক্ষক ; ৰেজিবুদ্দিন আহমেদ।

২৩। সূত্ৰ লিখি উদাহৰণ দিয়া (যি কোনো **দুটা**) : ২×২=৪

স্বৰসন্ধি ; স্ত্ৰীপ্ৰত্যয় ; ণত্ববিধি ; বহুব্ৰীহি সমাস।

২৪। লিংগ পৰিৱৰ্তন কৰা (যি কোনো **দুটা**) : ১×২=২

দঁতাল ; মুনিহ ; শৰ ; তাৰৈ ; জোঁৱাই ।

★★★